**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। চলিত বছৰৰ ভিতৰতে কোকৰাঝাৰত অসমৰ সৰ্ববৃহৎ ফুটবল ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। আলফা স্বাধীনে ৰাজ্যৰ জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকি আহিব পৰা কোনো কাম নকৰে বুলি মুখ্যমন্ত্ৰীৰ আশা প্ৰকাশ।

৩। প্ৰাথমিক পৰ্যায়ত সকলো বিদ্যালয়তে মাতৃভাষা বাধ্যতামূলক কৰাৰ বাবে চিবিএছ্ইৰ নিৰ্দেশনা।

৪। গেলেফু চহৰত নিৰ্মাণ হৈ থকা মাইণ্ডফুলনেছ চিটী প্ৰকল্পত গৌৰীপুৰৰ পোৰামাটিৰ শিল্পীক স্থান দিয়া হ'ব বুলি ভূটানৰ কনছ'ল জেনেৰেলৰ মন্তব্য **আৰু**

৫। ২০ বছৰ অনূৰ্ধৰ মহিলা ফুটবল প্ৰতিযোগিতাত আজি ভাৰত-উজবেকিস্তানৰ মুখামুখি।

০০০০০০

চলিত বছৰৰ ভিতৰতে কোকৰাঝাৰত ১২৫ কোটি টকা ব্যয়ৰে অসমৰ সৰ্ববৃহৎ এখন ফুটবল ষ্টেডিয়ামৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ খেলপথাৰত অনুষ্ঠিত চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে কোকৰাঝাৰত এতিয়া বোমা-বাৰুদৰ সলনি আনন্দ, ক্ৰীড়া আৰু শিক্ষাৰ পৰিৱেশ সৃষ্টি হৈছে। কোকৰাঝাৰ ক্ৰীড়াৰ ৰাজধানীলৈ পৰিণত হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মন কী বাতৰ শেহতীয়া খণ্ডত চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ কথা উল্লেখ কৰিছে। কোকৰাঝাৰৰ লগতে ওদালগুৰি, চিৰাং, তামুলপুৰ আৰু বাক্সাতো ফুটবল ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ইপনে ৰাজ্য চৰকাৰে দুহেজাৰ গৰাকী খেলুৱৈক প্ৰশিক্ষণ প্ৰদানৰ আৱাসিক সুবিধা সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীৰ উপৰি কোকৰাঝাৰ, শিলচৰ, ডিব্ৰুগড়, তেজপুৰ, যোৰহাট, আদি স্থানত এনে আৱাসিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি কোকৰাঝাৰত উচ্চমান সম্পন্ন ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰিছে। অভিনৱ ফিউছাৰিষ্টিক প্ৰাইভেট লিমিটেড, অইল ইণ্ডিয়া লিমিটেড আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ যৌথ সহযোগিতাৰে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে স্থাপন কৰা এই কেন্দ্ৰটোত খেলুৱৈসকলৰ বিজ্ঞানসন্মত সমীক্ষা, ফিজিঅ'থেৰাপি, পুনৰ্বাসনৰ সুবিধা, খেলুৱৈসকলৰ মানসিক আৰু শাৰিৰীক উত্তৰণ আৰু প্ৰশিক্ষণৰ সুবিধা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। ড০ শৰ্মাই কয়, যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত ৰোগীৰ সুবিধাৰ্থে এনে পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ বাবে অভিনৱ ফিউছাৰিষ্টিক প্ৰাইভেট লিমিটেডৰ সৈতে আলোচনা চলি আছে। তেওঁ লগতে অসমত ৩ টাকৈ উচ্চমান সম্পন্ন ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অংশীদাৰ হোৱা অলিম্পিক পদক বিজয়ী অভিনৱ বিন্দ্ৰাক ধন্যবাদ জ্ঞাপন কৰে।

**বাইট (চি এম)**

০০০০০০

ম্যানমাৰত আলফা স্বাধীনৰ শিবিৰত হোৱা আক্ৰমণত অসম আৰক্ষী আৰু ৰাজ্য চৰকাৰ কোনো প্ৰকাৰে জড়িত নহয় আৰু সংগঠনটোৱে ৰাজ্যখনৰ জনসাধাৰণৰ কোনো ক্ষতি নকৰে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই আক্ৰমণ সন্দৰ্ভত জানিব বিচাৰিছিল যদিও কেন্দ্ৰীয় চৰকাৰ এই ঘটনাত জড়িত নহয় বুলি স্পষ্ট কৰি দিছে। সংগঠনটোৱে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকি আহিব পৰা কোনো কাম নকৰে বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বাইট

ইপিনে, এই আক্ৰমণত প্ৰাণ হেৰুওৱা বজালীৰ ডুমুৰীয়াৰ নৰেন্দ্ৰ নাথ কলিতা ওৰফে নয়ন মেধি ওৰফে নয়ন অসমৰ পৰিয়ালটোক সান্ত্বনা দিবলৈ কালি সংগঠনটোৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ বাৰ্তা লৈ প্ৰাক্তন আলফা নেতা প্ৰাণজিৎ শইকীয়া সদস্যগৰাকীৰ বাসগৃহত উপস্থিত হয়। সদস্যগৰাকীৰ বীৰত্ব অথলে যাবলৈ দিয়া নহ'ব বুলিও সংগঠনটোৱে প্ৰকাশ কৰাৰ কথা প্ৰাক্তন আলফা নেতাগৰাকীয়ে পৰিয়ালটোক অৱগত কৰে। উল্লেখযোগ্য যে ম্যানমাৰৰ এই আক্ৰমণৰ ঘটনাৰ পাছত আলফা স্বাধীনৰ সৈতে আলোচনা ত্বৰান্বিত কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই আহ্বান জনাইছে।

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ ৰোধৰ বাবে চৰাইদেউ জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অসম-নাগালেণ্ড-অৰুণাচল প্ৰদেশৰ সীমান্তত অৱস্থিত জিলাখনত দিনে-নিশাই নিৰাপত্তা বাহিনীৰ তহল বৃদ্ধি কৰা হৈছে। তদুপৰি নাগালেণ্ড আৰু অৰুণাচলৰ পৰা চৰাইদেউ জিলা সংযোগী স্পৰ্শকাতৰ পথসমূহত বিশেষ তালাচী চকী স্থাপন কৰি এই পথসমূহেৰে অহা-যোৱা কৰা বাহনৰ তালাচী চলোৱা হৈছে। সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে এই পথসমূহেৰে যাতে আলফা স্বাধীনৰ সদস্যই জিলাখনত প্ৰৱেশ কৰি কোনোধৰণৰ কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰে তাৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চি বি এছ ইয়ে সকলো বিদ্যালয়তে প্ৰাথমিক পৰ্যায়ত মাতৃভাষা বাধ্যতামূলক কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত চি বি এছ ইৰ পঞ্জীয়ক ড০ প্ৰজ্ঞা এম সিঙে সকলো বিদ্যালয়ৰ মুৰববীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা ভাষা, মাতৃভাষা বা আন আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হিচাপে বাধ্যতামূলক কৰা হৈছে। শিক্ষাৰ্থীসকলে বিদ্যালয় পৰ্যায়ত প্ৰথম শিক্ষা যাতে মাতৃভাষাত গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে গ্ৰহণ কৰা সিদ্ধান্ত ৰূপায়ণৰ বাবে চি বি এছ ইয়ে এই জাননী জাৰি কৰিছে। চি বি এছ ইৰ নতুন নিৰ্দেশনা অনুসৰি মাতৃভাষা মাধ্যম হিচাপে গঢ়ি তোলাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে সকলো বিদ্যালয়ে গৰমৰ বন্ধ খোলাৰ পাছতে এখন সমিতি গঠন কৰিব লাগিব। তদুপৰি প্ৰতিমাহৰ ৫ তাৰিখৰ ভিতৰত অগ্ৰগতিৰ খতিয়ান দাখিল কৰিব লাগিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০

ভূটানৰ কনছুল জেনেৰেল জিগমে থিনলে নামগিয়ালে কালি ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰিকান্দিৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্পৰ স্থলী পৰিদৰ্শন কৰে। তেওঁ ভূটানৰ গেলেফু চহৰত নিৰ্মীয়মান মাইণ্ড ফুলনেছ

চিটী প্ৰকল্পত পোৰামাটিৰ শিল্পীক স্থান দিয়াৰ পৰিকল্পনাৰ কথা উল্লেখ কৰে। কনছুল জেনেৰেল গৰাকীয়ে শিল্পীসকলৰ সৈতে কথা পাতি এই শিল্পকলা পদ্ধতি আৰু সৌন্দৰ্যৰ  সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে। বিশেষ সূত্ৰৰ উদ্ধৃতি দি আমাৰ ধুবুৰীৰ সংবাদদাতাই জনোৱা মতে ভাৰত আৰু ভূটানৰ মাজত শীঘ্ৰেই এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ পথত আৰু এই চুক্তিয়ে ধুবুৰীৰ পৰম্পৰাগত শিল্পক আন্তঃৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। দুয়ো ৰাষ্ট্ৰৰ সহযোগিতামূলক প্ৰচেষ্টাৰ ফলত ধুবুৰীৰ এই শিল্পৰ সৈতে জড়িত একাংশ লোকক ভূটানলৈ নি সেই ৰাষ্ট্ৰৰ স্থানীয় শিল্পীসকলক ইয়াৰ প্ৰশিক্ষণ দিয়া হ'ব বুলি জানিব পৰা গৈছে।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ্ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা লৈছে। বিভাগীয় সূত্ৰ অনুসৰি এই ৰোগত আক্ৰান্ত হৈ ৰাজ্যখনত এতিয়ালৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। কাৰ্বি আংলঙত কালি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে।

ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে। কালি এখন সংবাদমেল যোগে যুটীয়া স্বাস্থ্য সঞ্চালক বৰছিং ৰংপিয়ে এইদৰে কয় –

ভইচ

ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে।

গোলাঘাট জিলাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ১৯ লৈ বৃদ্ধি পাইছে। শোণিতপুৰ জিলাতো এই ৰোগে গুৰতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ জিলাখনত এটি শিশুসহ দুগৰাকী লোকৰ মৃত্যু হৈছে। জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৱা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী অসম প্ৰদেশ কংগ্ৰেছৰ কৰ্মীসভা আৰু সতীৰ্থ সন্মিলনত অংশ লোৱাৰ বাবে আজি অসমলৈ আহিব। দুয়োগৰাকী নেতাই মহানগৰীৰ এখন হোটেলত কংগ্ৰেছৰ জিলা সভাপতিসকলৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দলৰ কাম-কাজ আগুৱাই নিয়াৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। ইয়াৰ পাছত দলটোৰ ৰাষ্ট্ৰীয় নেতা দুগৰাকীয়ে ছয়গাঁৱৰ এখন দলীয় সভাত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ অন্তত কংগ্ৰেছ নেতা দুগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰিব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

এগৰাকী প্ৰকৃত দেশপ্ৰেমিক আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ সেনানী দেশভক্ত তৰুণৰাম ফুকনৰ সন্মানাৰ্থে ৰাজ্যৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা আয়োজিত দেশভক্তি কুইজ প্ৰতিযোগিতাত পঞ্জীয়নৰ সময়সীমা অহা ১৮ জুলাইলৈ বৃদ্ধি কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অহা ২৭ জুলাইৰ পুৱা ১০ বজাৰ পৰা হ'বলগীয়া প্ৰতিযোগিতাখন সকলোৰে বাবে মুকলি থাকিব আৰু একোটা দলত তিনিজন সদস্য থাকিব পাৰিব বুলি আয়োজকে প্ৰকাশ কৰিছে। প্ৰতিযোগিতাত প্ৰথম তিনিটা স্থান লাভ কৰা দলকেইটাই ক্ৰমে ১ লাখ, ৭৫ হাজাৰ আৰু ৫০ হাজাৰ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব। প্ৰতিযোগিতাখনত দৰ্শকৰ বাবেও মুঠ ৭৫ হাজাৰ টকা মূল্যৰ পুৰস্কাৰ ধাৰ্য কৰা হৈছে। বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ কৰা কিউ আৰ কোডৰ জৰিয়তে পঞ্জীয়নত যিকোনো অসুবিধাৰ সন্মুখীন হ'লে diprquiz2025@gmail.com ইমেইল আই ডি অথবা ৭০০২৯৯৩৮২৭ ফোন নম্বৰত যোগাযোগ কৰিবকৈ সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগৰ নীতি-নিৰ্দেশনা আৰু নতুন শিক্ষানীতিৰ প্ৰায়োগিক দিশৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰৰ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা চমুকৈ আবেলিকৰ উদ্যোগত বিনামূলীয়া ইণ্টাৰ্নশ্বিপ কাৰ্যসূচী আৰম্ভ হৈছে। ২১ দিনীয়া এই কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন মহাবিদ্যালয়ৰ অৰ্ধ শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। এই কাৰ্যসূচীত ভাষা আৰু ভাষা বিজ্ঞান, সাংস্কৃতিক পৰ্যটন, লোক সংস্কৃতি, গ্ৰন্থাগাৰ ব্যৱস্থাপনা আৰু অভিধান প্ৰণয়ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

০০০০০০

ভাৰতৰ ২০ বছৰ অনূৰ্ধৰ মহিলা ফুটবল দলটো আজি তাছখণ্ড ড'সটলিক ষ্টেডিয়ামত উজবেকিস্তানৰ বিৰুদ্ধে দ্বিতীয় তথা অন্তিমখন প্ৰীতি খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে সোমবাৰে দেশ দুখনৰ মাজত অনুষ্ঠিত প্ৰথমখন প্ৰীতি খেল ১-১ গ'লত অমীমাংসিত হৈ ৰৈছিল। খেলখনৰ ৭৯ মিনিটত ভাৰতৰ হৈ সুলঞ্জনা ৰাউলে একমাত্ৰ গ'লটো দিছিল।

অহা মাহত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধৰ এ এফ চি এছিয়ান কাপ কোৱালিফায়াৰ্ছত অংশগ্ৰহণৰ প্ৰস্তুতি হিচাপে ভাৰত আৰু উজবেকিস্তানে এই খেলদুখনত অংশ লৈছে। কোৱালিফায়াৰ্ছত ভাৰতে ইণ্ডোনেছিয়া, তুৰ্কমেনিস্তান আৰু ম্যানমাৰৰ বিৰুদ্ধে খেলিব। ইপিনে গ্ৰুপ-জিত স্থান লাভ কৰা উজবেকিস্তানে বাহৰেইন, উত্তৰ মাৰিয়ানা দ্বীপপুঞ্জ আৰু জৰ্ডানৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত দলসমূহে অহা বছৰ থাইলেণ্ডত হ'বলগীয়া চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিব।

০০০০০০

তিনি সহযোগীৰে পৃথিৱীলৈ উভতিল শুভাংশু শুক্লা, মহানগৰীৰ ৰিজৰ্টত নিষিদ্ধ কেচিন', প্ৰাথমিক পৰ্যায়ত সকলো বিদ্যালয়ত মাতৃভাষা বাধ্যতামূলক কৰাৰ বাবে নিৰ্দেশ – আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

১৮ দিন মহাকাশত অতিবাহিত কৰাৰ পাছত তিনিগৰাকী সহযোগীৰ সৈতে ভাৰতৰ শুভাংশু শুক্লা সুকলমে আমেৰিকাৰ কেলিফৰ্ণিয়াৰ ছান ডিয়েগ' উপকুলত উপস্থিত হোৱাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন**

কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটো অন্যান্য কাকতসমূহেও আলোকচিত্ৰসহ অন্যতম মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ম্যানমাৰত থকা আলফা শিবিৰত হোৱা ছাৰ্জিকেল ষ্ট্ৰাইক সন্দৰ্ভত ভাৰত চৰকাৰৰ হাতত কোনো তথ্য নাই বুলি কেন্দ্ৰই প্ৰকাশ কৰিছে। বাতৰিটো **অসমীয়া খবৰ** আৰু **দৈনিক জনমভূমিৰ** লগতে ভালেকেইখন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

সোণাপুৰৰ এখন বিলাসী ৰিজৰ্টত আৰক্ষীয়ে অভিযান চলাই বিশ্ববিখ্যাত ৰাজসিক জুৱা কেচিন'ৰ জৰিয়তে চলাই থকা কোটি কোটি টকাৰ জুৱাৰ ঘাটি উৎখাত কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

চলিত বিত্তীয় বৰ্ষৰ প্ৰথম পাঁচ মাহত ৰাজ্যত চাহৰ উৎপাদন ১৬ শতাংশ বৃদ্ধি হোৱাৰ এটা বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্য চৰকাৰৰ নেতৃত্বত চাৰি বছৰত ১ লাখ ১৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ এটা তথ্য সমৃদ্ধি বাতৰি **নিয়মীয়া বাৰ্তা** আৰু **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰাথমিক পৰ্যায়ত সকলো বিদ্যালয়ত মাতৃভাষা বাধ্যতামূলক কৰাৰ বাবে চি বি এছ ইয়ে বিদ্যালয়সমূহৰ মুৰব্বীলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

ভাৰতৰ অনন্য পৰিচয় প্ৰাধিকৰণে পাঁচৰ পৰা সাত বছৰ বয়সৰ শিশুৰ বাবে বাধ্যতামূলক বায়'মেট্ৰিক উন্নীতকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে অভিভাৱকসকললৈ আহ্বান জনোৱাৰ এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ধুবুৰী জিলাৰ সাপতগ্ৰামত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। এখন স্কুটিৰে আহি থকা নৰজিৎ বৰ্মন নামৰ লোকজনক বিপৰীত দিশৰ পৰা আহি থকা এখন বাছে খুন্দা মৰাৰ ফলত তেওঁৰ থিতাতে মৃত্যু হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত